**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-09-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ সৈতে সংগতি ৰাখি ২৬ ছেপ্তেম্বৰত বিজেপিৰ কৰ্মী, স্বেচ্ছাসেৱক আৰু সমৰ্থকসকলৰ সৈতে **মেৰা বুথ চবচে মজবুট** কাৰ্যসূচীৰ অধীনত মত বিনিময় কৰিব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰস্তাৱিত আমেৰিকা যুক্তৰাষ্ট্ৰ ভ্ৰমণক লৈ দেশখনৰ ভাৰতীয় মূলৰ লোকসকলৰ, বিশেষকৈ ভাৰতীয় শিক্ষাৰ্থীসকলৰ মাজত ব্যাপক উৎসাহ পৰিলক্ষিত হৈছে।

৩। জম্মু-কাশ্মীৰৰ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান চলি আছে। এই পৰ্যায়ত ছখনৰো অধিক জিলাত বিস্তৃত হৈ থকা ২৬ টা সমষ্টিত ২৫ ছেপ্তেম্বৰত ভোটগ্ৰহণ কৰা হ'ব।

৪। দ্বীপ ৰাষ্ট্ৰ শ্ৰীলংকাত ৰাষ্ট্ৰপতি নিৰ্বাচনৰ ভোট গ্ৰহণ চলি আছে। দেশখনৰ নৰমগৰাকী কাৰ্যবাহী ৰাষ্ট্ৰপতিক নিৰ্বাচন কৰিবৰ বাবে ১ কোটি ৭০ লাখৰো অধিক ভোটদাতাই নিজৰ নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰিব।
**আৰু**

৫। কেন্দ্ৰীয় তথ্য, সম্প্ৰচাৰ আৰু সংসদীয় পৰিক্ৰমা ৰাজ্য মন্ত্ৰী ডঃ এল মুৰুগানে কৈছে যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বৰ চৰকাৰে তৃতীয়টো কাৰ্যকালৰ প্ৰথম ১০০ দিনত জনকল্যাণমূলক আঁচনিৰ বাবে মুঠ ১৫ লাখ কোটি টকাৰ আবণ্টন দিছে।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ সৈতে সংগতি ৰাখি ২৬ ছেপ্তেম্বৰত বিজেপিৰ কৰ্মী, স্বেচ্ছাসেৱক আৰু সমৰ্থকসকলৰ সৈতে **মেৰা বুথ চবচে মজবুট** কাৰ্যসূচীৰ অধীনত মত বিনিময় কৰিব। নমো এপৰ জৰিয়তে সেইদিনা দুপৰীয়া প্ৰায় চাৰে ১২ বজাত তেওঁ বিজেপি কৰ্মীসকলৰ সৈতে কথা পাতিব। প্ৰধানমন্ত্ৰীয়ে বিজেপিৰ কৰ্মী, স্বেচ্ছাসেৱক আৰু সমৰ্থকসকলক প্ৰশ্ন আৰু পৰামৰ্শ প্ৰেৰণ কৰিবলৈ আহ্বান জনাইছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰস্তাৱিত আমেৰিকা যুক্তৰাষ্ট্ৰ ভ্ৰমণক লৈ দেশখনৰ ভাৰতীয় মূলৰ লোকসকলৰ, বিশেষকৈ ভাৰতীয় শিক্ষাৰ্থীসকলৰ মাজত ব্যাপক উৎসাহ পৰিলক্ষিত হৈছে। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰী মোদীয়ে ভৱিষ্যত সম্বন্ধীয় ৰাষ্ট্ৰসংঘৰ শীৰ্ষ সন্মিলনত গুৰুত্বপূৰ্ণ ভাষণ দিব। আমাৰ নিউয়ৰ্কৰ সংবাদদাতাই একাংশ শিক্ষাৰ্থীৰ সৈতে মত বিনিময় কৰি ৰাষ্ট্ৰসংঘৰ সন্মিলন খনৰ সন্দৰ্ভত তেওঁলোকৰ দৃষ্টিভংগী আৰু আশা-প্ৰত্যাশাৰ বুজ লয়।

ooooo

জম্মু-কাশ্মীৰৰ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান চলি আছে। এই পৰ্যায়ত ছখনৰো অধিক জিলাত বিস্তৃত হৈ থকা ২৬ টা সমষ্টিত ২৫ ছেপ্তেম্বৰত ভোটগ্ৰহণ কৰা হ'ব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ কালি সন্ধ্যা জম্মুত উপস্থিত হয়। তেওঁ আজি পুঞ্চ, ৰাজৌৰী আৰু জম্মু জিলাৰ ৫খন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব। শ্ৰীশ্বাহে কাইলৈ উধামপুৰ পূব সমষ্টিৰ নৌচেৰা আৰু মাজাল্টাত জনসভাত ভাগ ল'ব। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই জম্মুত কাইলৈ ৰোড শ্ব' কৰাৰ লগতে দুখন জনসভাত ভাষণ দিব। প্ৰতিৰক্ষা মন্ত্ৰী তথা বিজেপিৰ অন্যতম জ্যেষ্ঠ নেতা ৰাজনাথ সিঙেও কাইলৈ কেইবাখনো নিৰ্বাচনী সভাত প্ৰচাৰ চলাব।

কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে সোমবাৰে পুঞ্চ আৰু শ্ৰীনগৰত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব। নেচনেল কনফাৰেঞ্চৰ সভাপতি তথা জম্মু-কাশ্মীৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ফাৰুক আবদুল্লাই সোমবাৰে জাইনাকোটেত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব।

০০০০০

ভাৰত আৰু ব্ৰাজিলে শক্তিখণ্ডত বৰ্তমানৰ সহযোগিতা আৰু দ্বিপাক্ষিক বাণিজ্যত পাৰস্পৰিক লাভজনক সম্পৰ্ক তথা বহনক্ষম ইন্ধন বিশেষকৈ জৈৱ ইন্ধনৰ ক্ষেত্ৰত সহযোগিতাৰ এখন বৈঠকত মিলিত হৈছে। কেন্দ্ৰীয় পেট্ৰোলিয়াম-প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰী আৰু ব্ৰাজিলৰ খনি-শক্তিমন্ত্ৰী আলেকজেণ্ডাৰ ছিলভেইৰাৰ বৈঠকৰ পাছতে জাৰি কৰা যৌথ বিবৃতিত এই কথা উল্লেখ কৰে। বৈঠকৰ সময়ত দুয়োপক্ষই সামগ্ৰী উৎপাদনত নতুন বিনিয়োগৰ সুযোগকে ধৰি ভাৰতীয় কোম্পানীৰ সংখ্যা বৃদ্ধিৰ বাবে নতুন সম্ভাব্য ব্যৱস্থা চিনাক্তকৰণৰ বিষয়ে আলোচনা কৰে। দুয়োগৰাকী নেতাই উদ্ভাৱনী ব্যৱস্থাকে ধৰি দুয়োখন দেশৰ মাজত বাণিজ্য বৃদ্ধিৰ উপায় সন্দৰ্ভতো আলোচনা কৰে।

০০০০০

দ্বীপ ৰাষ্ট্ৰ শ্ৰীলংকাত ৰাষ্ট্ৰপতি নিৰ্বাচনৰ ভোট গ্ৰহণ চলি আছে। দেশখনৰ নৱমগৰাকী কাৰ্যবাহী ৰাষ্ট্ৰপতিক নিৰ্বাচন কৰিবৰ বাবে ১ কোটি ৭০ লাখৰো অধিক ভোটদাতাই নিজৰ নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰিব। তদৰ্থে ৰাষ্ট্ৰপতি ৰনিল ৱিক্ৰেমাসিংঘে আৰু বিৰোধী নেতা চাজিথ প্ৰেমদাসাই পুৱাতে ভোটদান কৰে। ভোটদানৰ পাছত ৱিক্ৰেমাসিংঘেই কয় যে শ্ৰীলংকাত গণতন্ত্ৰক সুৰক্ষা দিয়া আৰু গণতান্ত্ৰিক ব্যৱস্থাটো ভাগি নপৰাকৈ ৰখাৰ প্ৰয়োজন হৈছে। শ্ৰী প্ৰেমদাসাই কয় যে এই নিৰ্বাচনত গণতন্ত্ৰৰ জয় হ'ব। তেওঁ গণতন্ত্ৰৰ সুৰক্ষাৰ বাবে ওলাই আহিবলৈ সকলোকে আহ্বান জনায়। দেশখনত ১৩ হাজাৰ ৪০০ৰো অধিক ভোটকেন্দ্ৰত পুৱা ৭ বজাৰ পৰা ভোটগ্ৰহণ কৰা হৈছে আৰু বিয়লি চাৰে ৪ বজাত ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ অন্ত পৰিব। সন্ধিয়া ভোটগণনা আৰম্ভ হ'ব।

০০০০

জাপানত বতৰ বিজ্ঞান বিভাগৰ প্ৰৱল বৰষুণৰ আগজাননীৰ পাছত দেশখনৰ মধ্যভাগৰ দুখন মহানগৰৰ পৰা বানৰ আশংকাত প্ৰায় ৩০ হাজাৰ লোকক নিৰাপদ স্থানলৈ স্থানান্তৰ কৰাৰ নিৰ্দেশ দিয়া হৈছে। ৱাজিমা মহানগৰৰ প্ৰায় ১৮ হাজাৰ লোক আৰু ছুজু মহানগৰৰ প্ৰায় ১২ হাজাৰ লোকক হনশু দ্বীপৰ ইশ্বিকাৱাত আশ্ৰয় ল'বলৈ কোৱা হৈছে।

জাপানৰ বতৰ বিজ্ঞান বিভাগে মহানগৰ দুখনত প্ৰৱল বৰষুণৰ আগজাননী দি জৰুৰীকালীন পৰিস্থিতি সৃষ্টি হ'ব বুলি সতৰ্ক কৰি দিছে। চৰকাৰী সংবাদ মাধ্যমৰ খবৰ অনুসৰি কমেও ১২ খন নদীৰ পানী ফেনে ফোটোকাৰে বাঢ়িবলৈ লৈছে। সমান্তৰালভাবে ইশ্বিকাৱা, য়ামাগাটা আৰু নিগাটাত ধাৰাষাৰ বৰষুণৰ পাছত বোকা মাটি স্খলনৰ সতৰ্কতাও জাৰি কৰা হৈছে। ০০০০

০০০০০

কেন্দ্ৰীয় তথ্য, সম্প্ৰচাৰ আৰু সংসদীয় পৰিক্ৰমা ৰাজ্য মন্ত্ৰী ড০ এল মুৰুগানে কয় যে প্ৰধানন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বৰ চৰকাৰে তৃতীয়টো কাৰ্যকালৰ প্ৰথম ১০০ দিনত জনকল্যাণমূলক আঁচনিৰ বাবে মুঠ ১৫ লাখ কোটি টকাৰ আবণ্টন দিছে। তামিলনাডুৰ থুথুকুডীত আজি তেওঁ কয় যে চৰকাৰখনে মহিলা প্ৰধান পৰিয়ালসমূহলৈ ৩ লাখ কোটি টকাৰ পুঁজি আগবঢ়াইছে। শ্ৰী মুৰু গানে লগতে কয় যে এক ৰাষ্ট্ৰ এক নিৰ্বাচনৰ ধাৰণাটোৱে জাতিটোৰ বাবে বহু বিত্তীয় ৰাহি কৰিব আৰু এই সন্দৰ্ভত বিৰোধী দলে এই বিষয়টো বিপথে পৰিচালিত কৰা বুলি অভিযোগ কৰে। মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে চৰকাৰে ৰাজ্যৰ মাছমৰীয়াসকলৰ কল্যাণৰ বাবে বহু আঁচনি ৰূপায়ণ কৰিছে। তেওঁ লগতে আশ্বাস দিয়ে যে বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে শ্ৰীলংকাৰ কাৰাগাৰত বন্দী হৈ থকা মাছমৰীয়া সকলক মুক্ত কৰাৰ বাবে তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰিছে। ০০০

০০০০০

যোৱা ৬টা বছৰত অসমত কৃষি ৰপ্তানিৰ বিকাশ ৮৫ শতাংশলৈ বৃদ্ধি পাইছে। কৃষি, পশুপালন তথা পশু চিকিৎসা মন্ত্ৰী অতুল বৰাই কালি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত ৱাইব্ৰেণ্ট নৰ্থইষ্ট ২০২৪ শীৰ্ষক অনুষ্ঠানত অংশ লৈ এই মন্তব্য কৰে। ড'নাৰ মন্ত্ৰ্যালয়ৰ সহযোগত আয়োজিত অনুষ্ঠানটিত তেওঁ লগতে কয় যে, অসমত শেহতীয়াকৈ সুকীয়া কৰ্মসংস্কৃতিৰ পৰিৱেশ ৰচনা হৈছে আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত চৰকাৰে ৰাজ্যৰ সৰ্বস্তৰৰ লোকৰ কল্যাণ তথা ভৱিষ্যৎ প্ৰজন্মৰ সুৰক্ষাৰ হকে কাম কৰি আছে। মন্ত্ৰী বৰাই কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এক্ট-ইষ্ট পলিচিৰ ফলত উত্তৰ-পূৰ্বাঞ্চলৰ কৃষি, বাণিজ্য উদ্যোগ আন্তঃগাঁথনি সৃষ্টি আদি খণ্ডসমূহত উজ্জীৱিত পৰিৱেশৰ সৃষ্টি হৈছে। ভৌগোলিক স্থিতি তথা স্বকীয় বৈশিষ্টৰে ভৰা অসমৰ মাটি আৰু কৃষি জলবায়ুৱে উৎপাদিত শস্যক বিশেষ মাত্ৰা প্ৰদান কৰাৰ বাবেই অসমৰ ৰঙা চাউল, ক'লা চাউল, জহা চাউল, কাজি নেমু আদিৰ চাহিদা আন্তৰ্জাতিক বজাৰত বৃদ্ধি পাইছে বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। অনুষ্ঠানটিত মন্ত্ৰীগৰাকীয়ে দেশৰ বিভিন্ন প্ৰতিষ্ঠান, সংগঠনে প্ৰদৰ্শন কৰা বাণিজ্যিক সামগ্ৰী তথা প্ৰযুক্তি পৰিদৰ্শন কৰা লগতে কৃষক আৰু উদ্যমী যুৱক-যুৱতীসকলৰ সৈতেও মত বিনিময় কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ছেপ্তেম্বৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৪ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰলৈ ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৭ ছেপ্তেম্বৰ পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে ২৯ ছেপ্তেম্বৰত দিনৰ ১১ বজাত এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০

সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ তত্বাৱধানত আৰু অসম ফুটবল সন্থাৰ পৰ্যৱেক্ষণ তথা যোৰহাট জিলা ক্ৰীড়া সন্থাৰ আতিথ্যত অনুষ্ঠিত ল'ৰাৰ ছাব-জুনিয়ৰ ৰাষ্ট্ৰীয় ফুটবল চেম্পিয়নশ্বিপত অসমে চূড়ান্ত বিজয়ীৰ খিতাপ অৰ্জন কৰিছে। যোৰহাট ষ্টেডিয়ামত অনুষ্ঠিত ফাইনেল খেলখনত অসমে ১১-০ গ'লৰ ব্যৱধানত হাৰিয়ানাক পৰাস্ত কৰি ২০২৪-২৫ বৰ্ষৰ টিয়াৰ-২ ছেম্পিয়নৰ খিতাপ দখল কৰে। অসমৰ থমাছ দৈমাৰীয়ে ছটা গ'ল কৰি ডাবল হেট্ৰিক অৰ্জন কৰে। বঁটা প্ৰদান অনুষ্ঠানত মৰিয়ণি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ লগতে সৰ্বভাৰতীয় ফুটবল ফেডাৰেচন, অসম ফুটবল সন্থা আৰু যোৰহাট ক্ৰীড়া সন্থাৰ বিষয়ববীয়াসকলৰ উপৰি কেইবাগৰাকীও প্ৰাক্তন খেলুৱৈ উপস্থিত থাকে।

০০০০০০

**সমাপ্ত**